
# ৰাজনৈতিক তত্ত্ব

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ পাঠ্যপুথি



**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ**

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যপুথিৰ আধাৰত

**RAJNAITIK TATTWA :** *A textbook on Political Theory for Class XI in Assamese, prepared by National Council of Educational Research and Training (NCERT), New Delhi, translated/approved by Assam Higher Secondary Education Council and published by The Assam State Textbook Production and Publication Corporation Ltd. (ASTPPC), Guwahati after having copyright permission from the NCERT, New Delhi.*

**FREE TEXTBOOK**

---

**মূল সংস্কৰণ-**

© ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

**অধিগৃহীত-**

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, ২০১০

**সৰ্বস্বত্ব সংৰক্ষিত**

❖ প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেকট্ৰ'নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।


| | |
|---|---|
| প্ৰথম প্ৰকাশ | ঃ ২০১০ |
| দ্বিতীয় সংস্কৰণ | ঃ ২০১১ |
| তৃতীয় সংস্কৰণ | ঃ ২০১২ |
| চতুৰ্থ সংস্কৰণ | ঃ ২০১৩ |
| পঞ্চম সংস্কৰণ | ঃ ২০১৬ |
| ষষ্ঠ সংস্কৰণ | ঃ ২০১৮ |
| সপ্তম সংস্কৰণ | ঃ ২০১৯ |
| অষ্টম সংস্কৰণ | ঃ ২০20 |
| নৱম সংস্কৰণ | ঃ ২০২১ |
| দশম সংস্কৰণ | ঃ ২০২২ |

| | |
|---|---|
| পাঠ মুদ্ৰণ | ঃ ৭০ জি এছ এম |
| বেটুপাত | ঃ ১৬৫ জি এছ এম |
| প্ৰকাশক | ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি। |
| প্ৰণয়ন | ঃ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, বামুণীমৈদাম, গুৱাহাটী |
| মুদ্ৰক | ঃ জেনুইন ট্ৰেডিং এজেঞ্চী |

**ডাঃ ৰনোজ পেগু,** এম. বি. বি. এছ
**মন্ত্ৰী, অসম**

सत्यमेव जयते

**শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগ**



# শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্‌' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

**(ডাঃ ৰনোজ পেগু)**
শিক্ষামন্ত্ৰী, অসম

# ভূমিকা

বৰ্তমান যুগটি হৈছে গোলকীয় যুগ আৰু এই যুগৰ পৰিপ্ৰেক্ষিতত পৃথিৱীৰ প্ৰত্যেকখন দেশে প্ৰতিদিনে ইখনে সিখনৰ লগত বিভিন্ন ক্ষেত্ৰত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছে। অকল ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰখনতেই নহয়; বিজ্ঞান, গৱেষণা আৰু সভ্যতাৰ মূল্যবোধৰ প্ৰগতিত সমগ্ৰ বিশ্বখনেই এখন গোলকীয় গাঁৱত পৰিণত হৈছে আৰু সমগ্ৰ মানৱ সমাজৰ ভৱিষ্যৎ এক উমৈহতীয়া বিষয় হৈ পৰিছে ।

শিক্ষাৰ ক্ষেত্ৰখনত এই গোলকীয় যুগৰ যথেষ্ট প্ৰভাৱ পৰিছে । এটা গুৰুত্বপূৰ্ণ হেঁচা হৈছে জ্ঞানৰ সীমাৰেখাত ৰৈ যোৱা খালী ঠাইবিলাক পূৰ্ণ কৰি যিমান পাৰি দ্ৰুতভাৱে অৱতীৰ্ণ হোৱা আৰু তাৰ পাচতো জ্ঞানৰ সীমাৰেখাত এই গতি অব্যাহত ৰখা । নিত্য নতুন অধ্যয়নৰ ক্ষেত্ৰ মুকলিৰ বাবে শৈক্ষিক অনুষ্ঠানবোৰৰ পাঠ্যক্ৰমৰ সমীক্ষণ কৰিবলৈ আমাৰ দেশত এক বৃহৎ আন্দোলন আৰম্ভ হৈছে। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ লেখীয়া গৱেষণা প্ৰতিষ্ঠানবোৰত জ্ঞানৰ সীমান্তক পৰ্যালোচনা কৰা হৈছে, যাতে নতুন পাঠ্যক্ৰম আৰু পাঠ্যসূচী প্ৰৱৰ্তন কৰিব পৰা যায়, যিয়ে ছাত্ৰ সমাজক উচ্চ মানদণ্ডত যিমান পাৰি সোনকালে অধিষ্ঠিত কৰিব আৰু আগত দশকবোৰৰ বাবে প্ৰয়োজনীয় জ্ঞানৰ উন্মেষ ঘটাবলৈ দ্ৰুততাৰে খোজ দিয়াত সহায়ক হ'ব ।

অৰ্থনীতিৰ বিশ্বায়ন, তথ্য প্ৰযুক্তিৰ নিত্য নতুন উদ্ভাৱন আৰু উৎপাদন প্ৰক্ৰিয়াত নতুন প্ৰযুক্তিৰ ব্যৱহাৰৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ২০০৫ বৰ্ষত প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ নতুন ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ গাঁথনি (National Curriculum framework, 2005 or NCF 2005) প্ৰস্তুতি কৰি উলিয়াইছে। এই গাঁথনিটোৱে উচিত উন্নয়নৰ বিষয় আৰু আন আন সামাজিক প্ৰসংগ সমূহ সামৰি ৰাজ্যসমূহৰ পাঠ্যক্ৰম, পাঠ্যসূচী, শিক্ষণ শিকন সামগ্ৰী আৰু শিক্ষকৰ অভিযোজিত আদান প্ৰদান কৌশলৰ বাবে অৰ্হতা বৃদ্ধি কৰিবলৈ এটা আধাৰ আগবঢ়াইছে। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে পাঠ্যসূচী প্ৰস্তুত কৰাৰ উপৰিও নতুন পাঠ্যক্ৰম অনুসৰি পাঠ্যপুথিৰ লেখীয়া মুদ্ৰণ আৰু অন্যান্য অমুদ্ৰণ (Non-printing) শিক্ষণ শিকন সামগ্ৰী (Materials) প্ৰস্তুত কৰি উলিয়াইছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে বিভিন্ন দিশ বিবেচনা কৰি এই সুবিধা গ্ৰহণ কৰিবলৈ আগবাঢ়িছে।

উচ্চতৰ মাধ্যমিক খণ্ডৰ ছাত্ৰ-ছাত্ৰী সকললৈ গুণগত শিক্ষা আগবঢ়োৱাৰ লগতে যুগৰ

প্ৰয়োজনীয়তা পূৰাবলৈ শিক্ষাসংসদে সময়ে সময়ে ইয়াৰ পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰ সংশোধন কৰি আহিছে । সৰ্বভাৰতীয় পাঠ্যক্ৰমৰ লগত ৰজিতা খুওৱাকৈ আৰু ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰি উলিওৱা ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ গাঁথনি (NCF 2005) ৰ আধাৰত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে যথেষ্ট পৰ্যালোচনাৰ অন্তত শেহতীয়াকৈ পাঠ্যক্ৰমৰ সংশোধন কৰিছে ।

বিশেষতঃ বিভিন্ন বিশেষজ্ঞ সমিতিৰ বৈঠকৰ পৰামৰ্শ তথা সংসদৰ সভাত হোৱা আলোচনাৰ সিদ্ধান্তমৰ্মে ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম গাঁথনি ২০০৫ (NCF-2005) ৰ আধাৰত প্ৰস্তুত কৰি উলিওৱা ১২ টা ঐচ্ছিক বিষয় আৰু মূল ইংৰাজী বিষয়ৰ পাঠ্যসূচী আৰু পাঠ্যপুথি উচ্চতৰ খণ্ডত প্ৰৱৰ্তন কৰিবলৈ লোৱা হৈছে । সেই মৰ্মে ইংৰাজী মাধ্যমৰ পাঠ্যপুথিসমূহ অসমীয়া আৰু বাংলা মাধ্যমৰ ছাত্ৰ ছাত্ৰীৰ চাহিদা পূৰাবলৈ বিশেষজ্ঞ ব্যক্তিৰ দ্বাৰা অনুবাদ কৰোৱা হৈছে। অনুবাদক তথা সম্পাদক সমিতিৰ সদস্যসকল আৰু সমন্বয়ক সকলৰ অৰিহণাৰ বাবে তেখেত সকলৰ শলাগ লৈছোঁ । অক্ষৰ বিন্যাসক, আৰ্হি পাঠক আৰু ছপাশালৰ কৰ্মীসকলক ছপাৰ উপযোগী কৰি পাঠ্যপুথি প্ৰস্তুত কৰি দিয়াৰ বাবে ধন্যবাদ জনাইছোঁ। আমাৰ এই কাৰ্য তেতিয়াহে সফল হ'ব যেতিয়া ছাত্ৰ সমাজৰ প্ৰভূত উপকাৰ হ'ব। বিজ্ঞজনৰ পৰা গঠনমূলক দিহা পৰামৰ্শ সাগ্ৰহেৰে আশা কৰিলোঁ যাতে পৰৱৰ্তী তাঙৰণ সমূহ উন্নত ৰূপত আগবঢ়াব পৰা যায়।

বামুণীমৈদাম
গুৱাহাটী-২১

সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ


## কৃতজ্ঞতা

*ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীয়ে এই পাঠ্যপুথি খন অনুবাদ আৰু প্ৰকাশৰ বাবে তথা উচ্চতৰ মাধ্যমিক স্তৰত পাঠ্যপুথি হিচাপে ব্যৱহাৰৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক অনুমতি প্ৰদান কৰিছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ইয়াৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।*

***সচিব***

## প্ৰস্তাৱনা (Preface)

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (NCERT) একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ৰাজনৈতিক তত্ত্ব বিষয়ত এখন সুকীয়া প্ৰশ্নকাকত (paper) আৰম্ভ কৰিছে। বিদ্যালয়ৰ পাঠ্যক্ৰম সংশোধন আৰু পুনৰ গঠন (redesign) কৰাৰ এক বৃহৎ প্ৰকল্পৰ অংশ হিচাপে এই পৰিবৰ্তন কৰিব লগীয়া হৈছে। আগতে ছাত্ৰ-ছাত্ৰীসকলে ৰাজনৈতিক ধাৰণা আৰু তত্ত্বৰ বিষয়ে জানিছিল মূলতঃ উদাৰনৈতিকতাবাদ, বা মাক্সবাদ বা ফেচীবাদ (fascism) আদি ৰাজনৈতিক আদৰ্শৰ অধ্যয়নৰ জৰিয়তে। স্বতন্ত্ৰতা বা সমতা আদি ধাৰণাসমূহ অন্যান্য ধাৰণাৰ মাজেদি পৰোক্ষভাৱেহে দৃশ্যপটত আহিছিল। নতুন পাঠ্যক্ৰমত আদৰ্শতকৈ ধাৰণাকহে প্ৰাধান্য দিয়া হৈছে। এই পাঠ্যক্ৰমৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক বিশ্বৰ ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰৱাহমান (living) ঐতিহ্যৰ কিছুমান প্ৰয়োজনীয় ধাৰণাৰ (ideas and concepts) লগত চিনাকী কৰি দিয়া। এই কিতাপখন ৰচনা কৰোঁতে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আৰ্জোতা (recipients) আৰু স্ৰষ্টা (creators) হিচাপে জড়িত কৰাৰ দৃষ্টিভংগী লোৱা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে ৰাজনৈতিক তত্ত্ব শিকোঁতে সমীক্ষণ (scrutinise) কৰিবলৈ তেওঁলোকক প্ৰশিক্ষণ দিয়া তথা আমাৰ পৃথিৱীখনৰ বিষয়ে জনাত (conceptualise) আমি গ্ৰহণ কৰা পদ্ধতিত দৃষ্টিপাত কৰিবলৈ তেওঁলোকক উৎসাহিত কৰাটোৱেই ইয়াৰ উদ্দেশ্য আছিল। তেওঁলোকৰ বোধশক্তিৰ (understanding) বিকাশ আৰু বিস্তাৰ কৰাটোও এই উদ্দেশ্যৰ ভিতৰত পৰে। সেয়ে, যদিও প্ৰতিটো অধ্যায় কোনো ধাৰণাৰ নূন্যতম (some minimum) আৰু সময় বিশেষে সাধাৰণ বুদ্ধিপ্ৰসূত বোধশক্তিক (commonsenscial understanding) লৈ আৰম্ভ হৈছে, ছাত্ৰ-ছাত্ৰীসকলক ধাৰণাটোৰ বিভিন্ন দিশৰ লগত চিনাকী কৰি দিবলৈ আৰু অৱস্থান (position) লওঁতে আৰু যুক্তি দৰ্শাওতে সন্মুখীন হ'ব পৰা ধাৰণাৰ পৰিসৰ অনুভৱ কৰাবলৈ চেষ্টা কৰা হৈছে।

আমি আশা কৰোঁ যে ৰাজনৈতিক তত্ত্ব পঢ়ি বিষয়টো সম্পৰ্কত তোমালোক যি সকল ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হ'বা তেওঁলোকৰ বাবে ৰাজনৈতিক তত্ত্ব অধ্যয়নৰ এই দৃষ্টিভংগীটো অধিক আকৰ্ষণীয় হ'ব। আমি বিচাৰিছিলোঁ যে চিন্তাবিদসকলে ইমানদিনে বিকাশ কৰি অহা ধাৰণাবিলাক জনাতেই ক্ষান্ত নাথাকি তোমালোকে পৃথিৱী সম্পৰ্কে নিজা অভিজ্ঞতাৰ ভিত্তিত তাৰ সঁহাৰি (respond) দিবলৈও সক্ষম হ'বা। তোমালোকে দেখিবা যে এই পুথিত

থকা স্বাধীনতা, সমতা, অধিকাৰ, জাতীয়তাবাদ আদি ধাৰণাসমূহ দৈনিক জীৱনত কেৱল ৰাজনীতিবিদ বা চৰকাৰেই নহয় আমি সকলোৱে ব্যৱহাৰ কৰোঁ। আমি প্ৰায়ে আমাৰ স্বাধীনতা আৰু অধিকাৰ, বস্তুৰ (things) ভাল-বেয়া (fairness and unfairness) আমাৰ সমব্যৱহাৰৰ আকাংক্ষা, জাতীয়তাবাদ বা শান্তি সম্পৰ্কত আমাৰ অনুভূতি (sentiments) বা এনে ধৰণৰ অন্য আদৰ্শৰ কথা কওঁ। সেয়েহে এই পুথিৰ আমি পঢ়িব লগীয়া ধাৰণাসমূহ ইতিমধ্যেই আমাৰ জীৱনৰ অংশ। আমি সেইবোৰ আমাৰ ব্যক্তিগত জীৱনত, পৰিয়ালত, বিদ্যালয়ত বা আমাৰ বন্ধুসকলৰ মাজত প্ৰয়োগ কৰোঁ আৰু চৰকাৰী নীতি বা ৰাজনৈতিক বিতৰ্কত অৱস্থান লওঁতেও ব্যৱহাৰ কৰোঁ।

আমাৰ অধ্যয়নৰ আৰম্ভণি (starting point) সেয়ে আচহুৱা নহয়। কিন্তু আমি আশা কৰোঁ যে ৰাজনৈতিক তত্ত্বৰ অধ্যয়নৰ জৰিয়তে তোমালোকে তোমালোকৰ ধাৰণাসমূহ শোধন (refine) কৰিব পাৰিবা আৰু তাক অধিক যথাৰ্থতা (precision) আৰু (clarity) স্বচ্ছতাৰে প্ৰকাশ কৰিব পাৰিবা। বছৰটোৰ শেষত, তোমালোকে যদি সমালোচনামূলকভাৱে (critically) নিজৰ বিশ্বাস আৰু ধাৰণাক প্ৰতিফলন (reflect) কৰিব পাৰা আৰু নিজৰ সমৰ্থনত যুক্তি প্ৰদৰ্শন কৰিব পাৰা, আমি এই পৰীক্ষা সফল হোৱা বুলি ভাবিম। পাৰ্শ্ব মন্তব্য (side comments) আৰু কাৰ্যকলাপ (activities) ৰ পৰামৰ্শ দিওঁতে আৰু প্ৰতিটো অধ্যায়ত দিয়া প্ৰশ্নাৱলী প্ৰস্তুত কৰোঁতে প্ৰায়ে বিভ্ৰান্তি সৃষ্টি কৰা আমাৰ পৃথিৱীখন ব্যাখ্যা কৰিবলৈ এই ধাৰণাবোৰে কেনেকৈ সহায় কৰে সেই কথালৈ লক্ষ্য ৰখা হৈছে। এনে ধৰণৰ আন সকলো প্ৰকল্পৰ দৰে ইয়াতো ভুল ভ্ৰান্তি হ'ব পাৰে কিন্তু আমি তোমালোকৰ মতামতলৈ অপেক্ষা কৰিম।

কিতাপখনৰ পৰিকল্পনা কৰোতে যদিও মূল লক্ষ্য (focus) ছাত্ৰ-ছাত্ৰীসকলেই আছিল, শিক্ষণ প্ৰক্ৰিয়াত শিক্ষকসকলৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আমি স্বীকাৰ কৰোঁ। আমি আশা কৰোঁ যে শিক্ষকসকলক কিতাপখনে সত্যৰ ভাণ্ডাৰ (repository of truth) বুলি ব্যৱহাৰ কৰাৰ সলনি সৃজনমুখী (creative) শ্ৰেণীকোঠাৰ পৰিবেশ সৃষ্টি কৰিবলৈ সমৰ্থ কৰি তুলিব। প্ৰতিটো অধ্যায়ত থকা অনুশীলনী (exercises) আৰু কাৰ্যকলাপ (activities) সমূহৰ উদ্দেশ্য শিক্ষকসকলক শ্ৰেণীকোঠাত কৰিবলৈ নিৰ্দেশ দিয়াটো নহয়। বৰং সেইবোৰ এটা অধ্যায়ত সন্নিবিষ্ট ধাৰণাসমূহ আৰু সামগ্ৰিকভাৱে কিতাপখন অধিগ্ৰহণ আৰু বিকাশ কৰাৰ নিৰ্ণায়ক হে। আমি এইটোও লগতে ক'ব পাৰো যে কোনো বিশেষ তত্ত্ববিদ বা ধাৰণা পদ্ধতিৰ ৰাজনৈতিক চিন্তাধাৰা আৰু অৱদানৰ প্ৰতি তোমালোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ প্ৰতিটো অধ্যায়ত মূল পাঠৰ

লগত বাকচ (boxes) সংযোগ হৈছে। কোনে, কেতিয়া আৰু কিয় কৈছিল মুখস্থ কৰিবলৈ ছাত্ৰক বাধ্য নকৰাকৈ আলোচনাক সমৃদ্ধ কৰাৰ উপায় হিচাপেহে এইটো কৰা হৈছিল। আমি আশা কৰোঁ যে শিক্ষকসকলে পাঠ্যপুথিত আলোচ্য কোনো ধাৰণাৰ সকলো সম্ভৱপৰ যুক্তি আৰু প্ৰয়োগ (arguments and usages) অনুশীলন আৰু পুনৰাবৃত্তি (reproducing skill) ৰ ভিত্তিত ছাত্ৰসকলক মূল্যায়ন (assess) নকৰি কোনো এটা নিৰ্দিষ্ট ধাৰণাৰ বেলেগ বেলেগ দিশ আৰু বিস্তৃতি (dimensions) তেওঁলোকে নিজে বুজি পোৱাৰ সামৰ্থ্যৰ ভিত্তিতহে কৰিব।

এনেকুৱা এটা মুক্ত (open-ended) দৃষ্টিভংগী শিক্ষক আৰু ছাত্ৰ দুয়োৰে বাবে প্ৰত্যাহ্বান স্বৰূপ হ'ব পাৰে কিন্তু ই আমাৰ শিক্ষা পদ্ধতিৰ এটা অবিচ্ছেদ্য অংগ হ'ব লাগিব।

এই চমু পাতনিত, কি আৰু কেনেকৈ কৰা উচিত তাৰ বিধান দিয়াৰ সলনি আমি কেনেকৈ আগবাঢ়িছিলো (approach) তাকে তোমালোকৰ লগত ভগাই ল'বলৈ চেষ্টা কৰিছোঁ। শিক্ষকসকলৰ পৰাও আমি কিতাপখন আৰু ইয়াৰ আৰ্হি চানেকি (design) ৰ বিষয়ে মতামত লবলৈ ভাল পাম। এই কিতাপখন কেবাগৰাকীও ব্যক্তিৰ সামূহিক উদ্যম/প্ৰচেষ্টা (setenterprise) আছিল আৰু এই ধাৰণা সমূহৰ অৰ্থ আৰু সেইবোৰ কেনেকৈ শিকাব লাগে সেই বিষয়ত অবিৰাম আলোচনাৰ প্ৰয়োজন হৈছিল। আমি ইজনে সিজনৰ কথা শুনাৰ প্ৰয়োজন অনুভৱ কৰাৰ লগতে আনকো আমাৰ দৃষ্টিভংগী বিষয়ত প্ৰত্যয় নিয়াব বিচাৰিছিলোঁ। চূড়ান্ত ফলাফল আপোনালোকৰ সন্মুখত দাঙি ধৰা হৈছে আৰু আপোনালোকৰ সহাৰিৰ বাবে আমি অপেক্ষা কৰিম।

**মুখ্য উপদেষ্টা**
সুহাস পালচিকাৰ
যোগেন্দ্ৰ যাদব

**উপদেষ্টা**
গুৰপ্ৰীত মহাজান
চাৰা যোচেফ

**NCERT ৰ পাঠ্যপুথি প্ৰস্তুতি সমিতি**

# মূল পাঠ্যপুথি প্ৰস্তুতি সমিতি

**অধ্যক্ষ, মাধ্যমিক স্তৰৰ পাঠ্যপুথিৰ উপদেষ্টা সমিতি**

হৰি বসুদেৱন, অধ্যাপক, ইতিহাস বিভাগ, কলিকতা বিশ্ববিদ্যালয়, কলিকতা

**মুখ্য উপদেষ্টাসকল**

সুহাস পালছিকাৰ, অধ্যাপক, ৰাজনীতি বিজ্ঞান আৰু লোক প্ৰশাসন বিভাগ, পুণে বিশ্ববিদ্যালয়, পুণে, মহাৰাষ্ট্ৰ।

যোগেন্দ্ৰ যাদৱ, জ্যেষ্ঠ ফেল', উন্নয়নশীল সমাজ অধ্যয়ন কেন্দ্ৰ, দিল্লী

**সদস্যসকল**

এ কে বাৰ্মা, প্ৰাধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, খৃষ্টচাৰ্চ মহাবিদ্যালয়, কানপুৰ, উত্তৰ প্ৰদেশ।

এলেক্স এম জৰ্জ, মুক্ত গৱেষক, ইৰুভাটী, জিলা কান্নুৰ, কেৰেলা।

অঞ্জু মালহোত্ৰা, অধ্যক্ষ, কালকা পাবলিক স্কুল, দিল্লী।

চৈইট্ৰা ৰেডকাৰ, জ্যেষ্ঠ প্ৰবক্তা, এছ এন ডি টি মহাবিদ্যালয়, মুম্বাই, মহাৰাষ্ট্ৰ।

জি পাঠক, পি. জি. টি., ডনিপলো পাবলিক স্কুল, ইটানগৰ, অৰুণাচল প্ৰদেশ।

এম মনীষা, জ্যেষ্ঠ প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ, ল'ৰেটো মহাবিদ্যালয়, কলিকতা।

মনীষ জৈন, প্ৰাক্তন পি. জি. টি. আৰু শিক্ষা বিভাগৰ ডক্টৰেল ছাত্ৰ, দিল্লী বিশ্ববিদ্যালয়, দিল্লী।

মনীষ প্ৰিয়ম, জ্যেষ্ঠ প্ৰবক্তা, গাৰ্গী মহাবিদ্যালয়, নতুন দিল্লী।

পংকজ পুষ্কাৰ, জ্যেষ্ঠ প্ৰবক্তা, উচ্চ শিক্ষাৰ সঞ্চালকালয়, হাল্ডৱানি, উত্তৰাঞ্চল।

প্ৰতাপ ভানু মেহতা, অধ্যক্ষ, গৱেষণা কৌশল কেন্দ্ৰ, নতুন দিল্লী।

পুষ্কৰ ৰাজ, জ্যেষ্ঠ প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ, জাকিৰ হুছেইন মহাবিদ্যালয়, নতুন দিল্লী।

ৰাজীৱ ভাৰ্গৱ, জ্যেষ্ঠ ফেল', উন্নয়নশীল সমাজ অধ্যয়ন কেন্দ্ৰ, দিল্লী।

ৰাকেশ শুক্লা, অধিবক্তা, উচ্চতম ন্যায়ালয়, নতুন দিল্লী।

সন্দীপ শাস্ত্ৰী, সঞ্চালক, সৃজনীমূলক শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয় অকাডেমী, বাংগালুৰু, কৰ্ণাটক।

সঞ্জীৱ মুখাৰ্জী, জ্যেষ্ঠ প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ, কলিকতা বিশ্ববিদ্যালয়, কলিকতা।

চৈয়দ চবকুল্লা, পি. জি. টি. মহাৰাণী চৰকাৰী প্ৰাক-বিশ্ববিদ্যালয় মহাবিদ্যালয়, মহীশূৰ, কৰ্ণাটক।

শৈলেন্দ্ৰ দয়'লকাৰ, প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ, চৰকাৰী মহাবিদ্যালয়, ঔৰঙ্গবাদ, মহাৰাষ্ট্ৰ।

ছেফালি জ্যা, সহযোগী অধ্যাপক, ৰাজনীতি অধ্যয়ন কেন্দ্ৰ, সমাজ বিজ্ঞান স্কুল, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, নতুন দিল্লী।

শ্ৰীলেখা মুখাৰ্জী, পি. জি. টি. চেইণ্ট প'ল স্কুল, নতুন দিল্লী।

ভাৰ্চা মানকু, উপাধ্যক্ষ আৰু পি. জি. টি. কুলাচি হংসৰাজ মডেল স্কুল, নতুন দিল্লী।

**সদস্য সমন্বয়ক**

সঞ্জয় ডুবে, প্ৰাধ্যাপক, ডি. ই. এছ. এছ. এইচ. এন. চি. ই. আৰ. টি, নতুন দিল্লী।

## অসমীয়া অনুবাদ সমিতি

### সদস্য সকল

শ্ৰীআদ্যনাথ চক্ৰৱৰ্তী, *প্ৰাক্তন মুৰব্বী প্ৰবক্তা,* প্ৰাগজ্যোতিষ মহাবিদ্যালয়

শ্ৰীতুলসী মজুমদাৰ, *মুৰব্বী প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, সোণাপুৰ মহাবিদ্যালয়

ড° ৰঞ্জিতা ভট্টাচাৰ্য্য, *জ্যেষ্ঠ প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়

ড° অৰূপজ্যোতি চৌধুৰী, *জ্যেষ্ঠ প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, কটন মহাবিদ্যালয়

ড° ৰীপিমা বুজৰবৰুৱা, *জ্যেষ্ঠ প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, সুৰেন দাস মহাবিদ্যালয়

শ্ৰীনৱদীপ দাস, *জ্যেষ্ঠ প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়

ড° হৰেন চন্দ্ৰ কলিতা, *জ্যেষ্ঠ প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

শ্ৰীমতী কৰবী দেৱী, *জ্যেষ্ঠ প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, সোণাপুৰ মহাবিদ্যালয়

### সমন্বয়ক তথা সম্পাদনা

শ্ৰীআদ্যনাথ চক্ৰৱৰ্তী, *প্ৰাক্তন মুৰব্বী প্ৰবক্তা,* প্ৰাগজ্যোতিষ মহাবিদ্যালয়

শ্ৰীতুলসী মজুমদাৰ, *মুৰব্বী প্ৰবক্তা,* ৰাজনীতি বিজ্ঞান বিভাগ, সোণাপুৰ মহাবিদ্যালয়

# সূচীপত্ৰ


অধ্যায়-১

**ৰাজনৈতিক তত্ত্ব এক পৰিচয়** ........ ০১

অধ্যায়-২

**স্বাধীনতা** ........ ১৯

অধ্যায়-৩

**সমতা** ........ ৩৭

অধ্যায়-৪

**সামাজিক ন্যায়** ........ ৬১

অধ্যায়-৫

**অধিকাৰ** ........ ৭৭

অধ্যায়-৬

**নাগৰিকত্ব** ........ ৯১

অধ্যায়-৭

**জাতীয়তাবাদ** ........ ১১৩

অধ্যায়-৪

**ধৰ্ম-নিৰপেক্ষতা** ........ ১২৮

অধ্যায়-৯

**শান্তি** ........ ১৪৮

অধ্যায়-১০

**বিকাশ** ........ ১৬৫

# ভাৰতীয় সংবিধান
# (Constitution of India)
## প্ৰস্তাৱনা
## (The Preamble)

আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাৱ বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি— আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশদিৱসত এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।